Krishna Kanta Handiqui State Open University

MA 4th Sem. Examination, 2016

বিষয় ঃ অসমীয়া

উপভাষা বিজ্ঞান আৰু অসমীয়া উপভাষা

সময় ঃ ৩ ঘণ্টা *মুঠ নম্বৰ ঃ ৮০*

১। তলৰ যিকোনো *পাঁচটা* প্ৰশ্নৰ উত্তৰ লিখক ঃ ২×৫=১০
(প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৫০ টা শব্দৰ ভিতৰত লিখিব)

(ক) উপভাষা বুলিলে কি বুজে?

(খ) উপভাষা অধ্যয়নৰ মূল বিষয়বস্তু কি কি?

(গ) গোলোকচন্দ্ৰ গোস্বামীয়ে কৰা উপভাষা বিভাজনটো কেনেকুৱা?

(ঘ) মধ্য যুগত অসমীয়া ভাষাৰ বিকাশত নামনি অসমৰ ভূমিকা কি?

(ঙ) গোৱালপৰীয়া উপভাষাত গোৱালপাৰাৰ অঞ্চল বিশেষে ভাষাগত বৈষম্য সৃষ্টিৰ কাৰণ কি? চমুকৈ উল্লেখ কৰক।

(চ) ৰমেশ পাঠকে গোৱালপৰীয়া উপভাষাক আৰু কি কি সৰু আঞ্চলিক ৰূপত ভাগ কৰিছে?

২। তলৰ যিকোনো *তিনিটাৰ* চমুটোকা লিখক ঃ ৪×৩=১২
(প্ৰতিটো প্ৰশ্নৰ উত্তৰ ১৫০ টা শব্দৰ ভিতৰত লিখিব)

(ক) ব্যক্তিভাষা

(খ) উপভাষা ভূগোল

(গ) উজনি অসমৰ উপভাষাৰ ধ্বনিগত বৈশিষ্ট্য

(ঘ) কামৰূপী উপভাষাৰ ঐতিহাসিক পটভূমি

৩। তলৰ যিকোনো *তিনিটা* প্ৰশ্নৰ উত্তৰ লিখক ঃ ৬x৩=১৮
(প্ৰতিটো প্ৰশ্নৰ উত্তৰ ২৫০ টা শব্দৰ ভিতৰত লিখিব)

(ক) গোৱালপৰীয়া উপভাষাৰ ঐতিহাসিক পটভূমিৰ বিষয়ে চমুকৈ লিখক।

(খ) ধ্বনিতাত্ত্বিক দিশত কামৰূপী উপভাষাৰ সৈতে গোৱালপৰীয়া উপভাষাৰ প্ৰভেদ কোনখিনিত?

(গ) বিদেশী শক্তিৰ আক্ৰমণে কিদৰে কামৰূপৰ অঞ্চল বিশেষে ভাষাগত বৈষম্যৰ সৃষ্টিত অৰিহণা যোগাইছিল?

(ঘ) সংযোগী ভাষা বুলিলে কি বুজে? উদাহৰণসহ বুজাই লিখক।

৪। তলৰ যিকোনো *চাৰিটা* প্ৰশ্নৰ উত্তৰ লিখক ঃ ১০x৪=৪০
(প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৫০০ টা শব্দৰ ভিতৰত লিখিব)

(ক) মান্য ভাষা বুলিলে কি বুজে? কি পৰ্যায়ৰ মাজেদি এটা উপভাষাই মান্য ৰূপ লাভ কৰে?

(খ) সমাজ-ভাষাবিজ্ঞান বুলিলে কি বুজে? বহলাই লিখক।

(গ) মধ্য অসমৰ উপভাষাৰ পৰিচয় আগবঢ়াওক।

(ঘ) কামৰূপী উপভাষাত প্ৰযোজ্য হোৱা ধ্বনি পৰিৱৰ্তনৰ প্ৰক্ৰিয়াসমূহ কি কি?

(ঙ) কামৰূপী উপভাষাৰ সৈতে গোৱালপৰীয়া উপভাষাৰ প্ৰভেদসমূহ কি কি?

——×——